# REGIONEL NEWS UNIT

ALL INDIA RADIO, GUWAHATI

0000000000

**Date :** 21-06-2025 **Time :** 1205 Hrs.

***Assamese Midday Bulletin***

দেশ বিদেশত আজি একাদশ আন্তঃৰাষ্ট্ৰীয় যোগ দিৱস উদযাপন কৰা হৈছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি পুৱা অন্ধ্ৰ প্ৰদেশৰ বিশাখাপট্টনমত একাদশ আন্তঃৰাষ্ট্ৰীয় যোগ দিৱসৰ ৰাষ্ট্ৰীয় কাৰ্যসূচীত অংশ লয়। শ্ৰী মোদীয়ে তেওঁৰ ভাষণত কয়, যে যোগে সমগ্ৰ বিশ্বকে একত্ৰিত কৰিছে। তেওঁ কয়, যে সমগ্ৰ বিশ্ব বৰ্তমান বিভিন্ন সমস্যাৰ মাজেৰে আগবাঢ়িছে আৰু এনে পৰিস্থিতিত যোগে শান্তিৰ পথ দেখুৱাইছে।

অসমতো যোগ দিৱসৰ সৈতে সংগতি ৰাখি বিভিন্ন কাৰ্যসূচীৰ আয়োজন কৰা হৈছে। বাক্সা জিলাৰ শালবাৰী মহাবিদ্যালয়ৰ খেলপথাৰত আজি পুৱা আয়োজিত ৰাজ্য চৰকাৰৰ কেন্দ্ৰীয় কাৰ্যসূচীত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই অংশগ্ৰহণ কৰে।

তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়ৰ অধীনত গুৱাহাটীৰ কেন্দ্ৰীয় যোগাযোগ ব্যুৰোৰ উদ্যোগত গুৱাহাটী ৰিফাইনেৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ত যোগ দিৱসৰ আয়োজন কৰা হৈছে। অনুষ্ঠানত পদ্মভূষণ সন্মানেৰে সন্মানিত নৃত্যাচাৰ্য যতীন গোস্বামী মুখ্য অতিথি হিচাপে উপস্থিত থাকে। অনুষ্ঠানত বিশেষজ্ঞ প্ৰশিক্ষকৰ দ্বাৰা বিভিন্ন যোগ কৌশল প্ৰদৰ্শন কৰা হয়।

নগাঁও জিলা প্ৰশাসনৰ উদ্যোগত আজি নগাঁও আৰক্ষী ছাউনীত উদযাপন কৰা যোগ দিৱসৰ কাৰ্যসূচীত মন্ত্ৰী কেশৱ মহন্ত আৰু নগাঁও-বটদ্ৰবাৰ বিধায়ক ৰূপক শৰ্মাই ভাগ লয়।

শিৱসাগৰৰ ৰংঘৰৰ বাকৰিত ৰাষ্ট্ৰীয় আয়ুষ অভিযান আৰু জিলা প্ৰশাসনৰ উদ্যোগত যোগ দিৱস উদযাপন কৰা হয়। অনুষ্ঠানত কেন্দ্ৰীয় মন্ত্ৰী পবিত্ৰ মাৰ্ঘেৰিটাই মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰি ভাৰতীয় সভ্যতা-সংস্কৃতিত যোগৰ গুৰুত্ব সন্দৰ্ভত আলোকপাত কৰে।

ডিব্ৰুগড়, ধেমাজি, তেজপুৰ, বিশ্বনাথ, তামোলপুৰ, ওদালগুৰিকে ধৰি প্ৰতিখন জিলাতে যোগ দিৱস উপলক্ষে বিভিন্ন কাৰ্যসূচীৰ আয়োজন কৰা হৈছে।

ooooooo

বৈদেশিক পৰিক্ৰমা দপ্তৰৰ ৰাজ্যমন্ত্ৰী পবিত্ৰ মাৰ্ঘেৰিটাই আজি শিৱসাগৰ জিলাৰ ভটীয়াপাৰৰ গেছ নিৰ্গমন হৈ থকা তৈলখাদটো পৰিদৰ্শন কৰি পৰিস্থিতিৰ বুজ লয়। শ্ৰী মাৰ্ঘেৰিটাই সাংবাদিকৰ আগত কয় যে গেছ নিৰ্গমন ৰোধৰ বাবে আমেৰিকাৰ পৰা অহা তিনিজনীয়া বিশেষজ্ঞ দলে প্ৰচেষ্টা চলাই আছে। পৰিস্থিতি স্বাভাৱিক হ'বলৈ কিমান সময়ৰ প্ৰয়োজন হ'ব সেয়া এতিয়াও নিশ্চিত হোৱা নাই বুলি মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে।তেওঁ লগতে কয় যে এই ঘটনাত ক্ষতিগ্ৰস্ত লোকসকলক ৰাজ্য চৰকাৰে উপযুক্ত ক্ষতিপূৰণ প্ৰদান কৰিব।

আমাৰ আগৰ বাতৰিতে কোৱা হৈছে যে তৈল খাদটোৰ পৰিস্থিতি নিয়ন্ত্ৰণৰ বাবে আমেৰিকাৰ এটা তিনিজনীয়া বিশেষজ্ঞ দল কালি উপস্থিত হয়। অ' এন জি চিয়ে ইতিমধ্যে তৈলখাদটো স্থায়ীভাৱে বন্ধ কৰি দিয়াৰ সিদ্ধান্ত লৈছে আৰু গেছৰ চাপ হ্ৰাস কৰি ৰিগটোৰ গেছ অন্য কুপলৈ নিয়াৰ প্ৰচেষ্টা আৰম্ভ হৈছে।

০০০০০০০

২০৩৫ চনৰ ভিতৰত বিদ্যুৎ উৎপাদনৰ ক্ষেত্ৰত অসমক এখন আত্মনিৰ্ভৰশীল ৰাজ্য হিচাপে বিকশাই তোলাৰ বাবে ৰাজ্য চৰকাৰে দীৰ্ঘ ম্যাদী প্ৰচেষ্টা আৰম্ভ কৰিছে। অসম বিদ্যুৎ নিয়ামক আয়োগৰ প্ৰতিষ্ঠাৰ ৰূপালী জয়ন্তী বৰ্ষ উপলক্ষে অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ বিদ্যুৎ খণ্ডৰ আৰম্ভণি, বিকাশ আৰু ৰূপান্তৰৰ বিভিন্ন তথ্য সম্বলিত **থাৰ্ড এম্পিয়াৰ** শীৰ্ষক এখন গ্ৰন্থৰ উন্মোচনী অনুষ্ঠানত ভাষণ দি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই এই কথা প্ৰকাশ কৰে। অনুষ্ঠানত ভাষণ দি তেওঁ কয়, যে ৰাজ্যত বিদ্যুতৰ সংবহন আৰু বিতৰণত হোৱা ক্ষয়-ক্ষতিৰ পৰিমাণ এসময়ৰ ২৯-৩০ শতাংশৰ পৰা বৰ্তমান ১৫ দশমিক ৫ শতাংশলৈ হ্ৰাস পাইছে। তেওঁ কয়, যে বিদ্যুতৰ চাহিদাৰ ধাৰা অব্যাহত থাকিলে ২০৩৫ চনলৈ ৰাজ্যখনত দৈনিক পাঁচ হাজাৰ ৫০০ মেগাৱাট বিদ্যুতৰ প্ৰয়োজন হ'ব। ইয়াৰ পৰিপ্ৰেক্ষিতত ৰাজ্য চৰকাৰে পাঁচ হাজাৰ মেগাৱাট সৌৰ শক্তি আহৰণৰ বাবে যাৱতীয় প্ৰক্ৰিয়া ইতিমধ্যে আৰম্ভ কৰা হৈছে বুলি তেওঁ জানিবলৈ দিয়ে।

০০০০০

শক্তিপীঠ কামাখ্যা ধামত কাইলৈ অম্বুবাচী মহা যোগ আৰম্ভ হ'ব। কাইলৈ বিয়লি দুই বাজি ৫৬ মিনিটত অম্বুবাচীৰ প্ৰবৃত্তিৰ লগে লগে কামাখ্যা মন্দিৰৰ দুৱাৰ বন্ধ হ'ব। ২৬ জুনত নিবৃত্তিৰ লগে লগে মন্দিৰ পৰিষ্কাৰ কৰি দেৱীৰ পূজা-অৰ্চনাৰ পাছত ভক্তৰ বাবে মন্দিৰৰ দুৱাৰ মুকলি কৰা হ'ব। পৰ্যটন বিভাগে কামৰূপ মহানগৰ জিলা প্ৰশাসনলৈ অম্বুবাচী মেলা আয়োজনৰ বাবে চাৰি কোটি ৫৫ লাখ টকা আগবঢ়াইছে। প্ৰতিবছৰৰ দৰে এইবাৰো দেশী-বিদেশী অগণন ভক্তই এই মেলাত অংশ লোৱাৰ বাবে ভিৰ কৰা পৰিলক্ষিত হৈছে। প্ৰশাসনে ভক্তসকলৰ সুৰক্ষা নিশ্চিত কৰাৰ লগতে অম্বুবাচী মেলা নিয়াৰিকৈ অনুষ্ঠিত কৰাৰ বাবে যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰিছে। ০০০

আন্তঃৰাষ্ট্ৰীয় যোগ দিৱস উপলক্ষে আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগে আজি নিশা ৮ বাজি ২ মিনিটত এটা বিশেষ দৃষ্টিপাত প্ৰচাৰ কৰিব। এই অনুষ্ঠানত সদৌ অসম যোগ ক্ৰীড়া সংস্থাৰ উপ-সভাপতি, যোগবিদ হৰিপ্ৰসাদ তালুকদাৰ আৰু যোগ প্ৰশিক্ষক হিমাদ্ৰী নাথ কটকীয়ে সমল ব্যক্তি হিচাপে অংশগ্ৰহণ কৰিব। অনুষ্ঠানটিৰ আঁত ধৰিব জিণ্টী ৰাণী ডেকাই। অনুষ্ঠান চলি থকা সময়ত আগ্ৰহী ব্যক্তিসকলে ২৬৬১৮৭৬ আৰু ২৬৬২৩২৫ নম্বৰত ফোন কৰি সমল ব্যক্তি দুগৰাকীৰ সৈতে যোগ সম্পৰ্কীয় বিভিন্ন প্ৰশ্নৰ উত্তৰ বিচাৰিব পাৰিব।

০০০০

ওদালগুৰি জিলাৰ পানেৰি উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ প্ৰাক্তন শিক্ষক তথা আদিবাসী জাতীয় মহাসভাৰ সাধাৰণ সম্পাদক আলেক্স মিনজৰ আজি পুৱতি নিশা নিজা বাসগৃহত মৃত্যু হয়। দীৰ্ঘদিন ধৰি অসুস্থ হৈ থকা মিনজৰ মৃত্যুৰ সময়ত বয়স হৈছিল ৬৭ বছৰ। ০০০০